सत्यमेव जयते

অসম চৰকাৰ

# বিকল্প শৈক্ষিক দিনপঞ্জী,২০২২-২৩

## (শিকন ঘাটি পৰিপূৰিকা)



▪ প্ৰস্তুতকৰ্তা ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম ▪ কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯

# আগকথা

বিগত প্ৰায় দুটা বছৰ সমগ্ৰ বিশ্বৰ লগতে আমাৰ দেশখনো এনে এক অনাহুত পৰিস্থিতিৰ মাজত সাঙোৰ খাই পৰিল যিয়ে মানুহৰ স্বাভাৱিক জীৱন-যাত্ৰাক যথেষ্ট ক্ষতিগ্ৰস্ত কৰিলে। বিশেষকৈ এই ক্ষতি বহু পৰিমাণে পৰিলক্ষিত হ'ল দেশৰ অসংখ্য ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক জীৱনত। বিদ্যালয়বিহীন এই দীঘলীয়া সময়খিনিয়ে ছাত্ৰ-ছাত্ৰীৰ মনত বিৰূপ প্ৰভাৱ পেলোৱাৰ চিন্তা ঘণীভূত কৰিলে। শিকিবলগীয়া কথা সময়ত শিকিব নোৱাৰিলে পাছত ইয়াক শিকোৱাটো কষ্টদায়ক হয়। বিগত সময়ছোৱাত শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ যিখিনি লোকচান হ'ল সিয়ে তেওঁলোকৰ আগন্তুক সময়খিনিক বাধাগ্ৰস্ত কৰাৰ আশংকা নুই কৰিব নোৱাৰি। দেশ আৰু দহৰ উন্নয়নৰ ক্ষেত্ৰত শিক্ষাক মাইলৰ খুটি হিচাপে গণ্য কৰা হয়। এই শিক্ষা ব্যৱস্থাৰ যি নিৰ্দিষ্ট কাৰ্যক্ৰমিক পৰিক্ৰমা তাত ব্যাঘাত জন্মিলে উন্নয়নৰ গতি স্থবিৰ হোৱাটো স্বাভাৱিক। ক'ভিড ১৯ অতিমাৰীয়ে মানুহৰ অন্যান্য দিশৰ লগতে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক কাৰ্যক্ৰমত আহুকালৰ সৃষ্টি কৰি শিকন ব্যৱধানৰ পৰিসৰ বৃদ্ধি কৰিলে। এয়া সমাজ উত্তৰণৰ ক্ষেত্ৰত সম্ভাব্য অন্তৰায়ৰ এক অশনি সংকেত।

এনে প্ৰেক্ষাপটত আমাৰ ভৱিষ্যৎ প্ৰজন্মৰ শৈক্ষিক জীৱনৰ যি কাৰ্যক্ৰম তাক পুনৰ স্বাভাৱিক অৱস্থালৈ ঘূৰাই অনাৰ বাবে আমি যথোচিত চিন্তা আৰু প্ৰচেষ্টা গ্ৰহণ কৰিব লাগিব। এই কামত চৰকাৰৰ লগতে শিক্ষক, অভিভাৱক, সমাজ, সংগঠন সকলোৰে সহযোগ কৰিব লাগিব। এনে উদ্দেশ্য আগত ৰাখি ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসমে বিগত সময়ছোৱাত সময়ে সময়ে কিছুমান শৈক্ষিক পদক্ষেপ গ্ৰহণ কৰি আহিছে যাতে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ স্বাভাৱিক শৈক্ষিক জীৱনৰ লগত সংপৃক্ত হৈ থাকিব পাৰে। অৰ্থাৎ তেওঁলোকৰ কোমল মনে বিদ্যালয়ৰ শৈক্ষিক জীৱনৰ অভিজ্ঞতাক সজীৱ কৰি ৰাখিব পাৰে।

সম্প্ৰতি ক'ভিড পৰিস্থিতি কিছু পৰিমাণে শাম কাটি স্বাভাৱিক অৱস্থা ঘূৰি অহাৰ সম্ভাৱনা দেখা গৈছে। এনে পৰিপ্ৰেক্ষিতত চলিত শৈক্ষিক বৰ্ষৰ শৈক্ষিক কাৰ্যক্ৰম পৰিচালনাৰ ক্ষেত্ৰত কিছু নতুন চিন্তাৰ সংযোজন কৰাৰ প্ৰয়াস কৰা হৈছে।

বিগত সময়ছোৱাৰ ছাত্ৰ-ছাত্ৰীৰ শিকন ঘাটিৰ আধাৰত শিক্ষকসকললৈ কিছু পৰামৰ্শমূলক নিৰ্দেশনা আৰু সেই নিৰ্দেশনা কাৰ্যকৰীকৰণৰ বাবে **'বিকল্প শৈক্ষিক দিনপঞ্জী'** শীৰ্ষক এখন শিকন ঘাটি পৰিপূৰিকা প্ৰস্তুত কৰি উলিওৱা হৈছে। এই পৰিপূৰিকা অনুযায়ী চলিত বৰ্ষৰ পাঠ আদান-প্ৰদান প্ৰক্ৰিয়াত বিগত সময়ছোৱাৰ পাঠসমূহৰ ওপৰতো শিক্ষকে আলোকপাত কৰিব লাগিব যাতে ছাত্ৰ-ছাত্ৰীৰ সেই সময়ছোৱাত হোৱা শিকন ঘাটিসমূহ কিছু পৰিমাণে পূৰণ কৰিব পৰা যায়। এই পৰিপূৰিকাখনত শ্ৰেণী আৰু বিষয় অনুযায়ী শিকন ফলাফলসমূহ ইতিমধ্যে ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসমৰ তত্বাৱধানত চলোৱা শিকন ঘাটি সমীক্ষা (Learning Gap Survey) ৰপৰা লোৱা হৈছে। ইয়াৰ উপৰি শিক্ষকসকলকো এই শৈক্ষিক বৰ্ষৰ আৰম্ভণিতে নিজ নিজ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ শ্ৰেণী আৰু বিষয়ভিত্তিক শিকন ঘাটিসমূহ পৰ্যালোচনা কৰি সাপ্তাহিক পৰিকল্পনা প্ৰস্তুত কৰাৰ পৰামৰ্শ আগবঢ়োৱা হৈছে। পৰিপূৰিকাখনত বিষয়ভেদে শিকন ফলাফলৰ সাদৃশ্য থকা কিছুমান পাঠ সমন্বিত কৰি দেখুওৱা হৈছে। ইয়াৰ আধাৰত শিকন ফলাফলসমূহ নিৰ্ধাৰণ কৰি কিছুমান ক্ৰিয়াকলাপৰ আৰ্হি সন্নিবিষ্ট কৰা হৈছে। এই ক্ষেত্ৰত আশা কৰা হৈছে এই পৰিপূৰিকাৰ উপৰি প্ৰতিগৰাকী শিক্ষকে নিজাববীয়া কৌশল অৱলম্বন কৰি ছাত্ৰ-ছাত্ৰীৰ শিকন ঘাটি পূৰণৰ চেষ্টা চলাব যাতে তেওঁলোকৰ আগন্তুক শিকন পৰিক্ৰমাত কোনো ধৰণৰ ব্যাঘাত নহয়। ভীতি,শংকা, অনীহা পৰিহাৰ কৰি প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে যাতে বিদ্যালয়ৰ পৰিৱেশত নিজক খাপ খুৱাই ল'ব পাৰে তাৰবাবে শিক্ষকসকলে বিদ্যালয়ত এক আনন্দময় পৰিৱেশ গঢ়ি তুলাটো বাঞ্চনীয়।

নিয়মীয়া শৈক্ষিক দিনপঞ্জীৰ লগত এই বিকল্প শৈক্ষিক দিনপঞ্জীখন ৰাজ্যৰ প্ৰতিখন বিদ্যালয়ৰ বাবে উপলব্ধ হ'ব পৰাকৈ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসমে প্ৰচেষ্টা গ্ৰহণ কৰিছে। এই সুবাদতে যিসকল ব্যক্তিৰ সহযোগত অতি কমসময়ৰ ভিতৰত এই কাৰ্য সম্পাদন কৰিব পৰা হ'ল তেখেতসকললৈ মই এই অনুষ্ঠানৰ তৰফৰপৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

আশা ৰাখিছো আমাৰ এই প্ৰচেষ্টাই ছাত্ৰ-ছাত্ৰীসকলৰ অনাগত শৈক্ষিক ভৱিষ্যত দৃঢ় কৰাৰ বাবে শিক্ষকসকলক অনুপ্ৰাণিত কৰিব।


(ড° নিৰদা দেৱী)
সঞ্চালক,
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
কাহিলিপাৰা, গুৱাহাটী-১৯

# শিক্ষকলৈ পৰামৰ্শমূলক
# নিৰ্দেশনাৱলী

**নিম্নলিখিত নিৰ্দেশনাসমূহ শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ শিকন ঘাটিৰ স্তৰ, তেওঁলোকৰ প্ৰয়োজনৰ ভিত্তিত গ্ৰহণ/অভিযোজন কৰিব**

- শিকন ঘাটি সমীক্ষাৰ আধাৰত নিৰূপিত হোৱা ঘাটিসমূহৰ লগতে শিক্ষকে বিদ্যালয় অনুসাৰে শ্ৰেণী অনুযায়ী ছাত্ৰ-ছাত্ৰীৰ আন বিষয়ক ঘাটিসমূহ নিৰ্ণয় কৰি ল'ব। এই ক্ষেত্ৰত বিদ্যালয়ৰ সহকৰ্মী বিষয় শিক্ষকৰ লগত আলোচনা কৰি বিগত সময়ছোৱাৰ শিকন ঘাটি পূৰণৰ বাবে এখন সাপ্তাহিক পৰিকল্পনা প্ৰস্তুত কৰি ল'ব পাৰে।
- পাঠ্যক্ৰমৰ নিৰ্ধাৰিত শিকন লক্ষ্য আৰু শিকন ঘাটি পূৰণৰ বাবে শিক্ষকে সংহত বা সমন্বিত শিক্ষণ কৌশল অৱলম্বন কৰিব পাৰে। উদাহৰণস্বৰূপে বিগত আৰু চলিত শৈক্ষিক বৰ্ষৰ শিকন ফলাফলৰ সাদৃশ্য থকা দুটা পাঠ লগলগাই পাঠদান কৰিব পাৰে (আৰ্হি সংলগ্ন কৰা হৈছে)।
- ছাত্ৰ-ছাত্ৰীৰ শিকন ঘাটি পূৰণৰ বাবে বিশেষকৈ বিজ্ঞান বিষয়ৰ ক্ষেত্ৰত কৰা ক্ৰিয়াকলাপসমূহৰ বেলিকা তেওঁলোকৰ চৌপাশৰ দৈনন্দিন জীৱনৰ লগত জড়িত অভিজ্ঞতাসমূহৰ আলমত শিক্ষকে বিভিন্ন কাৰ্যকলাপ কৰাব পাৰে।
- শিকন ফলাফলৰ মিল থকা পাঠৰ বাবে আনন্দদায়ক আৰু অংশগ্ৰহণমূলক বিভিন্ন ক্ৰিয়াকলাপ যেনে-সাধুকথা কোৱা, আকস্মিক বক্তৃতা, কুইজ, দলগত কাৰ্য, যুৰীয়া কাৰ্য, মুকলি আলোচনা আদিৰ আয়োজন কৰিব পাৰে।
- শিক্ষকে ছাত্ৰ-ছাত্ৰীক আকাংক্ষিত ফলাফলসমূহ আয়ত্ত কৰাবলৈ সমগ্ৰ শিক্ষা, অসম/ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসমে যোগান ধৰা শৈক্ষিক সমল যেনে- স্ব-শিকন সমল সামগ্ৰী, মুক্ত শৈক্ষিক সমল, দীক্ষা প'ৰ্টেল, নিষ্ঠা মডিয়ুল, শিক্ষণ-শিকন সামগ্ৰী, কাৰ্যপত্ৰ আদিৰ উপৰি অন্যান্য অনলাইন আৰু অফলাইন সমলসমূহৰ সহায় ল'ব।
- ভাষাৰ ক্ষেত্ৰত ব্যাকৰণ শিকাওতে শিশুসকলে শিকিবলগীয়া ব্যাকৰণখিনি তেওঁলোকৰ দৈনন্দিন কথোপকথনৰ সৈতে সংগতি ৰাখি শিকালে শিক্ষণ-শিকন অধিক ফলপ্ৰসূ হ'ব।
- শিক্ষকে একেধৰণৰ শিকন ফলাফল থকা পাঠসমূহ সমন্বিত কৰি ভাষাৰ চাৰিটা কৌশল যেনে- শ্ৰৱণ, কথন, পঠন আৰু লিখনৰ বিকাশৰ ব্যৱস্থা কৰিব পাৰে।
- বিদ্যালয়ত মজুত থকা শিক্ষণ-শিকন সামগ্ৰীসমূহ যেনে-চাৰ্ট, মেপ, গ্ল'ব আদি ব্যৱহাৰ কৰি সমাজ বিজ্ঞান, পৰিৱেশ অধ্যয়ন আদি বিষয়ৰ শিকন ফলাফলমূহ আয়ত্ত কৰোৱাত গুৰুত্ব দিব পাৰে।
- পৰিৱেশ অধ্যয়নৰ কিছুমান বিষয় যেনে ঃ বিচিত্ৰ প্ৰাণী, উৎসৱ আদিৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক ভিডিঅ' প্ৰদৰ্শনৰ ব্যৱস্থা কৰিব পাৰে।
- ৰাষ্ট্ৰীয় উৎসৱ বা দিৱসসমূহত সকলো ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিব যাতে তেওঁলোকে এই উৎসৱ/দিৱসসমূহৰ গুৰুত্ব উপলব্ধি কৰিব পাৰে।
- একেধৰণৰ আকাংক্ষিত শিকন ফলাফল আহৰণ কৰিবলৈ শিক্ষকে সুবিধা অনুযায়ী এটাতকৈ অধিক শ্ৰেণীক একে সময়তে জড়িত কৰাব পাৰে।
- ছাত্ৰ-ছাত্ৰীসকলক গণিত বিষয়ত সংখ্যাজ্ঞান, সংখ্যাপ্ৰক্ৰিয়া, কোণ, জোখ-মাখ (আয়তন, ভৰ, দৈৰ্ঘ্য) ভগ্নাংশ, দ্বি-মাত্ৰিক, ত্ৰি-মাত্ৰিক, সমমিতি, তথ্যৰ ব্যৱহাৰ আদিৰ জ্ঞান দিয়াৰ ক্ষেত্ৰত দৈনন্দিন জীৱনৰ লগত সংগতি থকা ক্ৰিয়াকলাপ কৰাব পাৰে।
- ছাত্ৰ-ছাত্ৰীৰ শিকনৰ মান নিৰূপণ (assessment) ৰ তথ্যসমূহ সংৰক্ষণ কৰি থ'ব পাৰে।

# সূচী


| শ্ৰেণী | বিষয় | পৃষ্ঠা নং |
|---|---|---|
| চতুৰ্থ | অসমীয়াঃ ভাষা-১ | ১ |
| | গণিত | ২ |
| | ইংৰাজীঃ ভাষা-২ | ৩ |
| | পৰিৱেশ অধ্যয়ন | ৪-৫ |
| পঞ্চম | অসমীয়া ঃ ভাষা-১ | ৬ |
| | গণিত | ৭ |
| | ইংৰাজীঃ ভাষা-২ | ৮ |
| | পৰিৱেশ অধ্যয়ন | ৯ |
| ষষ্ঠ | অসমীয়া ঃ ভাষা-১ | ১০ |
| | গণিত | ১১ |
| | ইংৰাজীঃ ভাষা-২ | ১২ |
| | বিজ্ঞান | ১৩ |
| | সমাজ বিজ্ঞান | ১৪ |
| সপ্তম | অসমীয়া ঃ ভাষা-১ | ১৫ |
| | গণিত | ১৬ |
| | ইংৰাজীঃ ভাষা-২ | ১৭ |
| | বিজ্ঞান | ১৮-১৯ |
| | সমাজ বিজ্ঞান | ২০ |
| অষ্টম | অসমীয়া ঃ ভাষা-১ | ২১ |
| | গণিত | ২২ |
| | ইংৰাজীঃ ভাষা-২ | ২৩ |
| | বিজ্ঞান | ২৪ |
| | সমাজ বিজ্ঞান | ২৫ |

# শ্ৰেণী : চতুৰ্থ ■ বিষয় : অসমীয়া (ভাষা-১)

| ক্ৰ নং | তৃতীয় শ্ৰেণীৰ পাঠ | চতুৰ্থ শ্ৰেণীৰ পাঠৰ সৈতে সমন্বিত কৰিবপৰা পাঠ | সমন্বিত /একক পাঠৰ শিকন ফলাফল | পৰামৰ্শমূলক ক্ৰিয়াকলাপ | মন্তব্য |
|---|---|---|---|---|---|
| ১ | আমাৰ গাঁও (পাঠ নং ১) | মোৰ দেশ ভাল (পাঠ নং ১) | ❑ শুদ্ধ উচ্চাৰণৰ সৈতে পদ্য/কবিতা আবৃত্তি কৰিব পাৰিব। | ❑ শিক্ষকে ছাত্ৰ-ছাত্ৰীক বিভিন্ন ধৰণৰ পদ্য/কবিতা আদি নিজ শৈলীৰে আবৃত্তি কৰিবলৈ সুযোগ দিব । | ❑ এই পৰিপুৰিকা খনত চতুৰ্থৰপৰা অষ্টম শ্ৰেণীক সাঙুৰি লোৱা হৈছে। প্ৰথমৰপৰা তৃতীয় শ্ৰেণীৰ ঘাটি পুৰণৰ বাবে বিদ্যালয়ত সংযোগী সম্ভাৰ উপলব্ধ হ'ব। |
| ২ | একতাৰ বল (পাঠ নং ২) | দীঘল ঠেঙীয়া(পাঠ নং ৬) | ❑ ছাত্ৰ- ছাত্ৰীয়ে মান্যভাষাত শুনা পদ্য/কবিতা, গল্প, সাধু আদি নিজা শৈলীৰে ক'ব, প্ৰশ্ন সুধিব আৰু নিজৰ ভাব সংযোজন কৰি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব পাৰিব । | ❑ পাঠ্যপুথিৰ উপৰি মান্যভাষাত থকা শিশু উপযোগী গল্প, কাহিনী আদি নিজৰ ভাষাৰে কোৱাৰ সুযোগ প্ৰদান কৰিব । | |
| ৩ | ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা(পাঠ নং ৩) | কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা (পাঠ নং ৩) | ❑ প্ৰতিষ্ঠিত কবি, সাহিত্যিক আৰু মহৎলোকৰ কৰ্মৰাজি আৰু জীৱন শৈলী পঢ়ি, বুজি অনুপ্ৰাণিত হ'ব । | ❑ শিক্ষকে প্ৰতিষ্ঠিত কবি, সাহিত্যিকৰ চিত্ৰ সম্বলিত চাৰ্ট ব্যৱহাৰ কৰি তেওঁলোকৰ বিষয়ে জানিবলৈ অনুপ্ৰাণিত কৰিব । | |
| ৪ | আগলি বাঁহত বগলীৰ বাঁহ (পাঠ নং ৪) | বৰদৈচিলা (পাঠ নং ১০) | ❑ শুদ্ধ উচ্চাৰণৰ সৈতে আবৃত্তি কৰিবপৰাৰ লগতে প্ৰকৃতিৰ বিষয়ে ধাৰণা লাভ কৰিব ।<br>❑ বিভিন্ন লিখনিত পোৱা নতুন শব্দৰ প্ৰসংগ বুজিব আৰু শব্দবোৰৰ অৰ্থ সুনিশ্চিত কৰিবলৈ অভিধান ব্যৱহাৰ কৰিব পাৰিব । | ❑ শিক্ষকে ছাত্ৰ-ছাত্ৰীক প্ৰকৃতিৰ লগত জড়িত বিভিন্ন কবিতা সংগ্ৰহ কৰিবলৈ উৎসাহিত কৰিব । | ❑ এই পৰিপুৰিকা অনুসৰি পাঠসমূহ পৰিচালনা কৰিবলৈ শিক্ষকে দৈনিক সময় তালিকাৰ আধাৰত এখন সাপ্তাহিক পৰিকল্পনা যুগুতাই ল'ব। |
| ৫ | শিৱসাগৰ চাওঁ আহা (পাঠ নং ১২) | অসমৰ কাঁহ শিল্প(পাঠ নং ৯) | ❑ জাতীয় সংস্কৃতি সংৰক্ষণ, সাহিত্য, ঐতিহ্য আৰু পৰম্পৰা সম্পৰ্কীয় লিখনি আগ্ৰহেৰে পঢ়িব পাৰিব।<br>❑ যুক্তাক্ষৰযুক্ত শব্দৰ ব্যৱহাৰ থকা সাধু, গল্প, কাহিনী আদি পঢ়িব আৰু লিখিব পাৰিব । | ❑ শিক্ষকে চিন্তা আৰু কল্পনা শক্তিৰ বিকাশৰ বাবে বিভিন্ন অভিজ্ঞতা (দেখি, শুনি, পঢ়ি) নিজাববীয়াকৈ প্ৰকাশ কৰাৰ সুযোগ দিব ।<br>❑ ছপা লিখনিত থকা যুক্তাক্ষৰযুক্ত শব্দ আৰু বাক্য পঢ়িবলৈ উৎসাহিত কৰিব । | |
| ৬ | কামৰ সৰু বৰ নাই (পাঠ নং ১৩) | আজৰি পৰৰ কাম (পাঠ নং ১২) | ❑ আজৰি সময়ৰ সদ্ব্যৱহাৰ কৰিবপৰাৰ লগতে কামৰ যে সৰু বৰ নাই সেয়া উপলব্ধি কৰিব ।<br>❑ যুক্তাক্ষৰ ভাঙিব আৰু লিখিব পাৰিব । | ❑ আজৰি সময়ত বিভিন্ন ঘৰুৱা কাম, খেলা-ধূলা, গীত-মাত, নাটকৰ চৰ্চা, গল্প, কাহিনী, বাতৰি কাকত আদি পঢ়াৰ বাবে উৎসাহিত কৰিব। | |
| ৭ | মৰমৰ আই (পাঠ নং ১৪) | — | ❑ মাতৃস্নেহ যে অতুলনীয় সেই কথা অনুভৱ কৰিব পাৰিব । | ❑ ছাত্ৰ-ছাত্ৰীক নিজ মাতৃৰ দৈনন্দিন জীৱনৰ কাম-কাজ, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদি পৰ্যবেক্ষণ কৰি ক'বলৈ দি মাতৃস্নেহ যে অতুলনীয় সেইকথা শিক্ষকে উপলব্ধি কৰাব ।<br>❑ প্ৰত্যক জীৱৰ বাবে যে মাতৃস্নেহ অতুলনীয় সেই সন্দৰ্ভত দৃশ্য-শ্ৰাব্য মাধ্যমেৰে আলোকপাত কৰাব ।<br>❑ মাতৃস্নেহ জড়িত গীত-মাত আদি ৰচনা বা সংগ্ৰহ কৰি গাবলৈ দিব। | ❑ ইয়াত উল্লেখ কৰাৰ উপৰি শিক্ষকে পাঠ সমন্বিতকৰণ আৰু ক্ৰিয়াকলাপৰ ক্ষেত্ৰত নিজাববীয়াকৈ কৌশল অৱলম্বন কৰিব । |

● দীক্ষা পৰ্টেলত উপলব্ধ বিভিন্ন অডিঅ', ভিডিঅ', ভাব আদান-প্ৰদানমূলক সমল আৰু অনুশীলন সমলৰ জৰিয়তে পাঠদান মনোগ্ৰাহী কৰিব।

# শ্ৰেণী : চতুৰ্থ ■ বিষয় : গণিত

| ক্ৰঃ নং | তৃতীয় শ্ৰেণীৰ পাঠ | চতুৰ্থ শ্ৰেণীৰ পাঠৰ সৈতে সমন্বিত কৰিবপৰা পাঠ | সমন্বিত /একক পাঠৰ শিকন ফলাফল | পৰামৰ্শমূলক ক্ৰিয়াকলাপ | মন্তব্য |
|---|---|---|---|---|---|
| ১ | আকৃতি আৰু নক্সা (পাঠ নং ১) | আকৃতি আৰু নক্সা (পাঠ নং ১) | ❑ চৌপাশত থকা আকৃতিবিলাকৰ বিষয়ে বোধ জন্মিব।<br>❑ দ্বি-মাত্ৰিক আকৃতিৰ বিষয়ে জানিব।<br>❑ প্ৰদত্ত জালিৰ সহায়ত সুষম ঘনক/আয়তীয় ঘনক প্ৰস্তুত কৰিব পাৰিব। | ❑ বিদ্যালয়ৰ চৌপাশ/শ্ৰেণীকোঠাত উপলব্ধ বিভিন্ন আকৃতিৰ বস্তু সংগ্ৰহ কৰি সেইবোৰৰ আকাৰ, আকৃতি অনুসৰি শ্ৰেণীবিভাজন/ বিভক্ত কৰিব দিব ।<br>❑ কাগজ ভাঁজ কৰি/কাটি দ্বি-মাত্ৰিক আকৃতি প্ৰস্তুত কৰিব দিব । | ❑ এই পৰিপুৰিকা খনত চতুৰ্থৰপৰা অষ্টম শ্ৰেণীক সাঙুৰি লোৱা হৈছে। প্ৰথমৰপৰা তৃতীয় শ্ৰেণীৰ ঘাটি পুৰণৰ বাবে বিদ্যালয়ত সংযোগী সম্ভাৰ উপলব্ধ হ'ব।<br>❑ এই পৰিপুৰিকা অনুসৰি পাঠসমূহ পৰিচালনা কৰিবলৈ শিক্ষকে দৈনিক সময় তালিকাৰ আধাৰত এখন সাপ্তাহিক পৰিকল্পনা যুগুতাই ল'ব।<br>❑ ইয়াত উল্লেখ কৰাৰ উপৰি শিক্ষকে পাঠ সমন্বিতকৰণ আৰু ক্ৰিয়াকলাপৰ ক্ষেত্ৰত নিজাববীয়াকৈ কৌশল অৱলম্বন কৰিব । |
| ২ | ❑ সংখ্যাৰ ধাৰণা ১০০ৰপৰা ৫০০ লৈ (পাঠ নং ২)<br>❑ সংখ্যাৰ ধাৰণা ৫০১ৰপৰা ৯৯৯ লৈ (পাঠ নং ৪) | সংখ্যা(পাঠ নং ২) | ❑ তিনিটা অংকবিশিষ্ট সংখ্যাৰে কাৰ্য কৰিব পাৰিব।<br>❑ ১০,০০০ লৈকে স্থানীয় মান ব্যৱহাৰৰ জৰিয়তে সংখ্যাবোৰ পঢ়িব আৰু লিখিব পাৰিব। | ❑ এটা দলক সংখ্যা লিখিব (১০,০০০ ৰ ভিতৰত) দিব আৰু আনটো দলক সংখ্যাসমূহ পঢ়িব দিব । | |
| ৩ | সময়(পাঠ নং ৩) | সময় (পাঠ নং ১৪) | ❑ ঘড়ী চাবলৈ শিকাৰ লগতে ঘণ্টা আৰু মিনিটত সময় ক'ব পাৰিব আৰু সময়ক a.m আৰু p.mত প্ৰকাশ কৰিব পাৰিব।<br>❑ ১২ঘণ্টীয়া ঘড়ী সাপেক্ষে ২৪ ঘণ্টীয়া ঘড়ীৰ সম্পৰ্ক স্থাপন কৰিব পাৰিব। | ❑ শিক্ষকে তলৰ প্ৰশ্নসমূহ ছাত্ৰ-ছাত্ৰীক সুধিব —<br>ক) ৰাতিপুৱা কিমান সময়ত উঠা ?<br>খ) স্কুললৈ কেইটা বজাত আহা ?<br>গ) স্কুলৰপৰা ঘৰলৈ কিমান সময়ত যোৱা ?<br>এই প্ৰশ্নকেইটাৰ আলমত ঘড়ীৰ সহায়ত নিৰ্দিষ্ট সময়ৰ ধাৰণা প্ৰদান কৰিব । | |
| ৪ | তথ্য সংগ্ৰহ (পাঠ নং ১৩) | তথ্যৰ ব্যৱহাৰ (পাঠ নং ৭) | ❑ তথ্য আহৰণ কৰি দাগচিহ্নৰ জৰিয়তে তথ্যসমূহ সচিত্ৰ লেখৰ দ্বাৰা উপস্থাপন কৰিব পাৰিব।<br>❑ সংগৃহীত তথ্যসমূহ তালিকা আৰু দণ্ডলেখৰ সহায়ত উপস্থাপন কৰি ব্যাখ্যা কৰিব পাৰিব। | ❑ শিক্ষকে ছাত্ৰ-ছাত্ৰীক বিদ্যালয় প্ৰাংগনত উপলব্ধ দৃশ্যমান বস্তু পৰ্যবেক্ষণ কৰি তথ্য সংগ্ৰহ কৰিব দিব। লগতে লেখচিত্ৰৰ দ্বাৰা উপস্থাপন কৰিব দিব। | |
| ৫ | টকা আৰু পইচা(পাঠ নং ১৪) | টকা আৰু পইচা(পাঠ নং ৪) | ❑ পাটিগণিতৰ মৌলিক চাৰি প্ৰক্ৰিয়াৰ ব্যৱহাৰৰ দ্বাৰা দৈনন্দিন জীৱনত উদ্ভৱ হোৱা টকা-পইচা সম্বন্ধীয় সমস্যাৰ সমাধান কৰিব পাৰিব। | ❑ নকল টকা বা কাৰ্ডৰ সহায়ত দলগতভাৱে 'বজাৰ-বজাৰ' ক্ৰিয়াকলাপ কৰাব । | |

- দীক্ষা পৰ্টেলত উপলব্ধ বিভিন্ন অডিঅ', ভিডিঅ', ভাব আদান-প্ৰদানমূলক সমল আৰু অনুশীলন সমলৰ জৰিয়তে পাঠদান মনোগ্ৰাহী কৰিব।

# Class-IV ■ Subject: English(Language-2)

| Sl. No. | Lesson of Class. III | Lesson to be clubbed with Class. IV | Learning outcomes of clubbed /single lessons | Suggestive activities | Remark |
|---|---|---|---|---|---|
| 1. | Ten Little Fingers (Lesson-1) | Oh, Look at the Moon. (Lesson-1) | ❑ Recite poems individually/ in groups with correct pronounciation and intonation.<br>❑ It will develop their imaginative thinking | ❑ The teacher will recite any poem with correct pronunciation and Intonation. | ❑ The classes from IV- VIII are included in this complementary material.From Class I to Class-III bridge material will be made available in the school<br>❑ To manage the lessons as per the complementary materials provided, the teacher will prepare a weekly plan on the model of the daily time-table .<br>❑ In addition to that the teachear will adopt strategies from ownself for lesson integration and activities to be done. |
| 2. | Two Friends and a Bear (Lesson-2) | The Hidden Treasure. (Lesson-4) | ❑ Develop their 4 skills (reading, writing, listening & speaking) of language.<br>❑ Understand the moral of the story | ❑ The teacher will explain the story to the students and ask them the moral of that particular story.<br>❑ The teacher will encourage the students to explore the library and collect story books | |
| 3. | A Brave General (Lesson-3) | ——— | ❑ They can understand the story and characters in English language. | ❑ The teacher will provide them few jumbled words and sentences and tell them to rearrange the words and sentences. | |
| 4. | Never say 'I can't!' (Lesson-7) | ——— | ❑ Understand and apply the element of sentence and grammar. | ❑ Some questions will be asked by the teacher based on their daily life and students will try to answer them. | |

- The teaching should be made interesting with the use of various audio, video, interactive content, and practice resource available on DIKSHA portal.

# শ্ৰেণী : চতুৰ্থ ■ বিষয় : আমি আৰু আমাৰ পৰিৱেশ

| ক্ৰঃ নং | তৃতীয় শ্ৰেণীৰ পাঠ | চতুৰ্থ শ্ৰেণীৰ পাঠৰ সৈতে সমন্বিত কৰিবপৰা পাঠ | সমন্বিত /একক পাঠৰ শিকন ফলাফল | পৰামৰ্শমূলক ক্ৰিয়াকলাপ | মন্তব্য |
|---|---|---|---|---|---|
| ১ | গছ-গছনিৰ কথা (পাঠ নং ১) | ভিন ভিন পৰিৱেশৰ উদ্ভিদ (পাঠ নং ৮) | ❑ আকাৰ আৰু গঠনৰ ওপৰত ভিত্তি কৰি উদ্ভিদসমূহৰ চাৰিটা ভাগৰ বিষয়ে বুজি পাব ।<br>❑ চৌপাশে থকা উদ্ভিদৰ পাতৰ আকৃতি, বৰণ, গঠন শৈলী, গোন্ধ আদি সাধাৰণ বৈশিষ্ট্যসমূহ চিনাক্ত কৰাৰ উপৰি গা-গছ আৰু গছৰ বাকলি চিনাক্ত কৰিব পাৰিব । | ❑ বিদ্যালয়ৰ চৌপাশত থকা বিভিন্ন প্ৰকাৰৰ উদ্ভিদৰ পাত সংগ্ৰহ কৰি ছাত্ৰ-ছাত্ৰীক দলগতভাৱে প্ৰকাৰ অনুযায়ী চিনাক্তকৰণ কৰিব দিব ।<br>❑ ঔষধি গছৰ নাম, বৈজ্ঞানিক নাম আৰু উপকাৰিতাৰ বিষয়ে উল্লেখ কৰি ছাত্ৰ-ছাত্ৰীসকলক তালিকা প্ৰস্তুত কৰাত শিক্ষকে সহায় কৰিব।<br>❑ বিভিন্ন পাতৰ হাৰ্বেৰিয়াম প্ৰস্তুত কৰিবলৈ দি এলবাম বনাবলৈ দিব। | ❑ এই পৰিপুৰিকা খনত চতুৰ্থৰপৰা অষ্টম শ্ৰেণীক সাঙুৰি লোৱা হৈছে। প্ৰথমৰপৰা তৃতীয় শ্ৰেণীৰ ঘাটি পুৰণৰ বাবে বিদ্যালয়ত সংযোগী সম্ভাৰ উপলব্ধ হ'ব। |
| ২ | ফুল (পাঠ নং ২) | ———— | ❑ ফুলৰ বিভিন্ন প্ৰকাৰ যেনে- গোন্ধ থকা, গোন্ধ নথকা আৰু বিভিন্ন ঋতুত ফুলা-ফুলৰ নাম জানিব ।<br>❑ ফুলৰ বিভিন্ন ব্যৱহাৰৰ বিষয়ে জানিব । | ❑ শিক্ষকে বিভিন্ন ফুলৰ চিত্ৰ প্ৰদৰ্শন কৰি ছাত্ৰ-ছাত্ৰীক সেই ফুলসমূহৰ নাম আৰু ৰঙৰ এখন তালিকা প্ৰস্তুত কৰিবলৈ দিব।<br>❑ ফুলৰ বিভিন্ন ব্যৱহাৰৰ বিষয়ে ক'বলৈ দিব । | |
| ৩ | প্ৰাণীৰ বাসস্থান (পাঠ নং ৩) | জীৱ আৰু পৰিৱেশ (পাঠ নং ৭) | ❑ চৌপাশে থকা প্ৰাণী আৰু চৰাইৰ সাধাৰণ বৈশিষ্ট্যসমূহ চলন, ক'ত থাকে, খাদ্যাভ্যাস, মাত ইত্যাদি চিনাক্ত কৰিব পাৰিব ।<br>❑ মানুহে বিভিন্ন প্ৰকাৰৰ ঘৰ সাজোতে ব্যৱহাৰ কৰা প্ৰয়োজনীয় সামগ্ৰীৰ বিষয়ে জানিব । | ❑ শিক্ষকে স্মাৰ্টফোনৰ জৰিয়তে বিভিন্ন প্ৰাণীৰ বাসস্থানৰ ভিডিঅ'/ছবি দেখুৱাই ছাত্ৰ-ছাত্ৰীক তাৰ আলমত চৌপাশত থকা জীৱ-জন্তুৰ বাসস্থানৰ এখন তালিকা প্ৰস্তুত কৰিব দিব। | |
| ৪ | বিচিত্ৰ প্ৰাণী (পাঠ নং ৪) | ———— | ❑ স্থলচৰ, জলচৰ আৰু উভচৰ প্ৰাণীৰ বিষয়ে জানিব ।<br>❑ বেছিভাগ প্ৰাণীয়েই যে খাদ্যৰ বাবে উদ্ভিদৰ ওপৰত নিৰ্ভৰশীল সেই বিষয়ে জানিব । | ❑ শিক্ষকে বিভিন্ন প্ৰাণীৰ নামৰ এখন চাৰ্ট প্ৰস্তুত কৰি ছাত্ৰ-ছাত্ৰীক চাৰ্টখনৰপৰা জলচৰ, স্থলচৰ আৰু উভচৰ প্ৰাণী আদি তিনিভাগত বিভক্ত কৰিবলৈ দিব। | ❑ এই পৰিপুৰিকা অনুসৰি পাঠসমূহ পৰিচালনা কৰিবলৈ শিক্ষকে দৈনিক সময় তালিকাৰ আধাৰত এখন সাপ্তাহিক পৰিকল্পনা যুগুতাই ল'ব। |
| ৫ | পানী (পাঠ নং ৫) | পানী (পাঠ নং ৩) | ❑ পানীৰ বিভিন্ন উৎসসমূহৰ বিষয়ে জানিব।<br>❑ পানীৰ সদ্ব্যৱহাৰৰ বিষয়ে জানিব ।<br>❑ পানী কেনেকৈ দূষিত হয় এই বিষয়ে জানিব । | ❑ শিক্ষকে শব্দ শৃংখলাৰ জৰিয়তে পানীৰ বিভিন্ন উৎসসমূহ বাছি উলিয়াই ক'বলৈ দিব।<br>❑ বিদ্যালয়ত 'বিশ্ব জল দিৱস'ৰ লগত সংগতি ৰাখি ৰচনা লিখা প্ৰতিযোগিতাৰ আয়োজন কৰিব । | |
| ৬ | শৰীৰৰ যতন (পাঠ নং ৬) | ———— | ❑ শৰীৰ সুস্থ সবল কৰি ৰাখিবৰ বাবে আহাৰ, জিৰণি আৰু টোপনিৰ যে প্ৰয়োজন সেই বিষয়ে বুজি পাব ।<br>❑ শৰীৰ সবল কৰি ৰাখিবৰ বাবে খেলা-ধূলা আৰু ব্যায়াম যে অতি দৰকাৰী এই বিষয়ে বুজি পাব । | ❑ ছাত্ৰ-ছাত্ৰীৰ বয়সৰ উপযোগী হোৱাকৈ শৰীৰ চৰ্চা, ধ্যান, যোগাসন আদিৰ ওপৰত নিৰ্মিত বিভিন্ন ভিডিঅ' ছাত্ৰ-ছাত্ৰীক দেখুৱাব ।<br>❑ শিক্ষকে আগ্ৰহী ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা যোগাসন/লঘু ব্যায়াম প্ৰদৰ্শন কৰোৱাৰ ব্যৱস্থা কৰিব। | |
| ৭ | মৌজাদাৰ ককা (পাঠ নং ১৬) | ———— | ❑ নিজৰ গাঁও, চুবুৰী, মৌজা, ৰাজহ চক্ৰ আৰু মহকুমাৰ বিষয়ে জানিব । | ❑ শিক্ষকে ছাত্ৰ-ছাত্ৰীক নিজ নিজ মৌজাৰ মৌজাদাৰৰ নাম সংগ্ৰহ কৰিবলৈ দিব। তাৰ আধাৰত তেওঁলোকৰ কামসমূহ শ্ৰেণীকক্ষত বুজাই ক'ব । | |

| ক্ৰঃ নং | তৃতীয় শ্ৰেণীৰ পাঠ | চতুৰ্থ শ্ৰেণীৰ পাঠৰ সৈতে সমন্বিত কৰিবপৰা পাঠ | সমন্বিত /একক পাঠৰ শিকন ফলাফল | পৰামৰ্শমূলক ক্ৰিয়াকলাপ | মন্তব্য |
|---|---|---|---|---|---|
| ৮ | আমাৰ ৰাজ্যখন আৰু ইয়াৰ জিলাসমূহ (পাঠ নং ১৭) | ❑ আমাৰ ৰাজ্যখন আৰু ইয়াৰ জিলাসমূহৰ কিছু কথা (পাঠ নং ১৭)<br>❑ অসমৰ জিলাসমূহ (পাঠ নং ১৮) | ❑ মানচিত্ৰত চুবুৰীয়া অঞ্চল, সাংকেতিক চিহ্ন, কোনো ঠাইৰ স্থিতি, গুৰুত্বপূৰ্ণ ঠাই আদি চিনাক্ত কৰিব পাৰিব আৰু আনকো সেইবোৰ বিচাৰি উলিওৱাত নিৰ্দেশনা দিব পাৰিব ।<br>❑ নিজ ৰাজ্য, জিলা আৰু চাৰিসীমাৰ বিষয়ে জানিব । | ❑ শিক্ষকে মানচিত্ৰ / গোলকৰ সহায়ত নিজৰ জিলাৰ লগতে ৰাজ্যৰ দৰ্শনীয় স্থান, উল্লেখযোগ্য নদ-নদী আদি দেখুৱাব। | ❑ ইয়াত উল্লেখ কৰাৰ উপৰি শিক্ষকে পাঠ সমন্বিতকৰণ আৰু ক্ৰিয়াকলাপৰ ক্ষেত্ৰত নিজাববীয়াকৈ কৌশল অৱলম্বন কৰিব । |
| ৯ | আজৰি সময়ৰ ব্যৱহাৰ (পাঠ নং ১৮) | ——— | ❑ সৃজনীমূলক কামৰ যোগেদি কেনেকৈ আজৰি সময়ৰ সদ্ব্যৱহাৰ কৰিব পাৰি সেই বিষয়ে বুজি পাব ।<br>❑ আলোচনী, সাধু কিতাপ, বাতৰি কাকত, শিশুৰ শিতানসমূহ পঢ়াৰ অভ্যাস গঢ়ি তুলিব পাৰিব । | ❑ শিক্ষকে আজৰি সময়ত বিভিন্ন ধৰণৰ শিশু উপযোগী কিতাপপত্ৰ কৌতুক, সাঁথৰ, কাহিনী, আদি সংগ্ৰহ কৰি ছাত্ৰ-ছাত্ৰীক পঢ়িব দিব আৰু নিজৰ ভাষাত ক'বলৈ দিব।<br>❑ হস্তশিল্পৰ লগত জড়িত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰিব । | |

● দীক্ষা পৰ্টেলত উপলব্ধ বিভিন্ন অডিঅ', ভিডিঅ', ভাব আদান-প্ৰদানমূলক সমল আৰু অনুশীলন সমলৰ জৰিয়তে পাঠদান মনোগ্ৰাহী কৰিব।

# শ্ৰেণী : পঞ্চম ■ বিষয় : অসমীয়া (ভাষা-১)

| ক্ৰঃ নং | চতুৰ্থ শ্ৰণীৰ পাঠ | পঞ্চম শ্ৰেণীৰ পাঠৰ সৈতে সমন্বিত কৰিবপৰা পাঠ | সমন্বিত /একক পাঠৰ শিকন ফলাফল | পৰামৰ্শমূলক ক্ৰিয়াকলাপ | মন্তব্য |
|---|---|---|---|---|---|
| ১ | মানুহৰ মাজলৈ কাপোৰ কেনেকৈ আহিল (পাঠ নং ২) | তিনিটা মাছৰ কাহিনী (পাঠ নং ১০) | ❑ চিন্তা আৰু কল্পনা শক্তিৰ সহায়ত বিভিন্ন অভিজ্ঞতা নিজাববীয়াকৈ প্ৰকাশ কৰিব পাৰিব ।<br>❑ প্ৰবচন, নীতিকথা আদি জানিব আৰু সঠিকভাৱে প্ৰয়োগ কৰিব পাৰিব । | ❑ শিক্ষকে বিভিন্ন ধৰণৰ সাধু, কাহিনী আদি পঢ়িব দি নিজাববীয়াকৈ প্ৰকাশ কৰিবলৈ সুবিধা দিব ।<br>❑ সাঁথৰ সোধা আৰু ভঙা, প্ৰবচন, নীতি কথা আদি জানিব দি সঠিকভাৱে প্ৰয়োগ কৰিব দিব। | ❑ এই পৰিপুৰিকা খনত চতুৰ্থৰপৰা অষ্টম শ্ৰেণীক সাঙুৰি লোৱা হৈছে। প্ৰথমৰপৰা তৃতীয় শ্ৰেণীৰ ঘাটি পুৰণৰ বাবে বিদ্যালয়ত সংযোগী সম্ভাৰ উপলব্ধ হ'ব।<br>❑ এই পৰিপুৰিকা অনুসৰি পাঠসমূহ পৰিচালনা কৰিবলৈ শিক্ষকে দৈনিক সময় তালিকাৰ আধাৰত এখন সাপ্তাহিক পৰিকল্পনা যুগুতাই ল'ব।<br>❑ ইয়াত উল্লেখ কৰাৰ উপৰি শিক্ষকে পাঠ সমন্বিতকৰণ আৰু ক্ৰিয়াকলাপৰ ক্ষেত্ৰত নিজাববীয়াকৈ কৌশল অৱলম্বন কৰিব । |
| ২ | লঘোণ (পাঠ নং ৪) | পিঠাৰ মেল (পাঠ নং ৪) | ❑ থলুৱা খাদ্যৰ বিষয়ে জানিব আৰু ইয়াৰ উপকাৰিতাৰ বিষয়ে বুজি পাব । | ❑ শিক্ষকে থলুৱা খাদ্য সম্ভাৰৰ লগত সংগতি ৰাখি শ্ৰেণীকক্ষত আকস্মিক বক্তৃতা আদি অনুষ্ঠিত কৰিব। | |
| ৩ | জন্ম দিনৰ আয়োজন (পাঠ নং ১৩) | ভতুৱা আৰু খকুঁৱাৰ খৰিয়াল (পাঠ নং ৯) | ❑ শিশু উপযোগী ভাওনা, ভ্ৰাম্যমাণ থিয়েটাৰ, নাটক, দূৰদৰ্শনৰ কাৰ্যসূচী চাব আৰু অনাতাঁৰ কেন্দ্ৰৰ দ্বাৰা প্ৰচাৰিত অনুষ্ঠান শুনি নিজাববীয়াকৈ গদ্যৰূপত ক'ব পাৰিব । | ❑ শিক্ষকে পাঠটি নাট্যৰূপত প্ৰকাশ কৰিবলৈ ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰিব। | |
| ৪ | গছে যদি খোজ কাঢ়ে (পাঠ নং ১৪) | ফুলকোঁৱৰৰ গীত (পাঠ নং ৭) | ❑ কল্পনা শক্তিৰ বিকাশ ঘটিব।<br>❑ অসমীয়া আখ্যানমূলক গীতৰ বিষয়ে জানিব পাৰিব। | ❑ পাঠত সন্নিবিষ্ট পদসমূহ চিনাক্ত কৰি ছাত্ৰ-ছাত্ৰীক এখন তালিকা প্ৰস্তুত কৰিব দিব।<br>❑ শিক্ষকে গছ, ফুল, চৰাই, পখিলা, জোনবাই আদিৰ দৰে কিছুমান ছবি বৰ্ডত অংকন কৰিব। এতিয়া সেইচিত্ৰসমূহক একোটা চৰিত্ৰ হিচাপে ধৰি প্ৰত্যেক ছাত্ৰ-ছাত্ৰীক একোটা সংলাপৰ আৰ্হি /প্ৰস্তুত কৰিব দিব। | |

● দীক্ষা পৰ্টেলত উপলব্ধ বিভিন্ন অডিঅ', ভিডিঅ', ভাব আদান-প্ৰদানমূলক সমল আৰু অনুশীলন সমলৰ জৰিয়তে পাঠদান মনোগ্ৰাহী কৰিব।

# শ্ৰেণী : পঞ্চম ■ বিষয় : গণিত

| ক্ৰঃ নং | চতুৰ্থ শ্ৰেণীৰ পাঠ | পঞ্চম শ্ৰেণীৰ পাঠৰ সৈতে সমন্বিত কৰিবপৰা পাঠ | সমন্বিত /একক পাঠৰ শিকন ফলাফল | পৰামৰ্শমূলক ক্ৰিয়াকলাপ | মন্তব্য |
|---|---|---|---|---|---|
| ১ | সংখ্যাৰ ধাৰণা (পাঠ নং ২ ) | সংখ্যা আৰু প্ৰক্ৰিয়া (পাঠ নং ১ ) | ❑ চৌপাশত থকা ১০,০০০ লৈকে সংখ্যাসমূহ স্থানীয় মানসহ পঢ়ি দৈনন্দিন জীৱনত সংখ্যাৰ মৌলিক প্ৰক্ৰিয়া প্ৰয়োগ কৰিব পাৰিব।<br>❑ এটা ডাঙৰ সংখ্যাক স্থানীয়মান অনুসাৰে ভাঙি লৈ উপযুক্ত নিয়ম ব্যৱহাৰ কৰি যোগ, বিয়োগ আৰু পূৰণ কৰিব পাৰিব। | ❑ ছাত্ৰ-ছাত্ৰীক ৫ খন মটৰ চাইকেলৰ নম্বৰ আৰু ৩খন গাড়ীৰ নম্বৰ লিখি আনিব দি প্ৰত্যেককে ক'বলৈ দিব আৰু তাৰ ভিত্তিত স্থানীয় মানৰ ধাৰণা স্পষ্ট কৰিব । | ❑ এই পৰিপুৰিকা খনত চতুৰ্থৰপৰা অষ্টম শ্ৰেণীক সাঙুৰি লোৱা হৈছে। প্ৰথমৰপৰা তৃতীয় শ্ৰেণীৰ ঘাটি পুৰণৰ বাবে বিদ্যালয়ত সংযোগী সম্ভাৰ উপলব্ধ হ'ব।<br>❑ এই পৰিপুৰিকা অনুসৰি পাঠসমূহ পৰিচালনা কৰিবলৈ শিক্ষকে দৈনিক সময় তালিকাৰ আধাৰত এখন সাপ্তাহিক পৰিকল্পনা যুগুতাই ল'ব।<br>❑ ইয়াত উল্লেখ কৰাৰ উপৰি শিক্ষকে পাঠ সমন্বিতকৰণ আৰু ক্ৰিয়াকলাপৰ ক্ষেত্ৰত নিজাববীয়াকৈ কৌশল অবলম্বন কৰিব । |
| ২ | দৈৰ্ঘ্য (পাঠ নং ৩ ) | জোখ-মাখ(দৈৰ্ঘ্য), (পাঠ নং ৮) | ❑ দুটা অৱস্থানত থকা বস্তুৰ দৈৰ্ঘ্য বা দূৰত্ব অনুমান কৰিবপৰা কৌশল আয়ত্ত কৰি দৈৰ্ঘ্য জুখিবপৰা এককবোৰ জনাৰ লগতে সেইবোৰৰ মাজৰ সম্বন্ধবোৰ জানিব।<br>❑ এককবোৰক ডাঙৰৰপৰা সৰুলৈ আৰু সৰুৰপৰা ডাঙৰলৈ ৰূপান্তৰ কৰিব পাৰিব। | ❑ ছাত্ৰ-ছাত্ৰীক স্কেল বা ফিটা (মি : আৰু ছে : মি: থকা) ৰে নিজৰ গণিতৰ পাঠ্যপুথিখনৰ দীঘ আৰু প্ৰস্থৰ জোখ-মাখ উলিয়াব দিব ।<br>❑ দীঘল ফিটাৰ (মি : আৰু ছে : মি : ) জৰিয়তে ডেস্ক-বেঞ্চৰ দীঘ, কোঠাৰ দীঘ মি : আৰু ছে: মি :ত নিৰ্ণয় কৰিব দিব । | |
| ৩ | পৰিসীমা আৰু কালি (পাঠ নং ১৩ ) | কালি আৰু পৰিসীমা (পাঠ নং ৩) | ❑ সৰল, জ্যামিতিক আকৃতিৰ (আয়ত, বৰ্গ, ত্ৰিভুজ) কালি আৰু পৰিসীমা নিৰ্ণয় কৰিব পাৰিব। | ❑ বিদ্যালয়ৰ চৌপাশৰ পৰিৱেশত থকা বিভিন্ন বস্তুৰ (ব'ৰ্ড, খিৰিকী, কিতাপ, বহী আদি) সহায়ত আকৃতিৰ ধাৰণাৰ লগতে কালি আৰু পৰিসীমাৰ জোখ এককত প্ৰকাশ কৰিব দিব । | |

● দীক্ষা পৰ্টেলত উপলব্ধ বিভিন্ন অডিঅ', ভিডিঅ', ভাব আদান-প্ৰদানমূলক সমল আৰু অনুশীলন সমলৰ জৰিয়তে পাঠদান মনোগ্ৰাহী কৰিব।

# Class-V ■ Subject: English(Language-2)

| Sl. No. | Lesson of Class. IV | Lesson to be clubbed with Class. V | Learning outcomes of clubbed /single lessons | Suggestive activities | Remark |
|---|---|---|---|---|---|
| 1. | The Ant and the Grasshopper. (Lesson-2) | The Joy of Helping. (Lesson-2) | ❑ Participate in classroom discussions on questions based on the day to day life and texts he/she already read or heard. | ❑ The teacher will follow the activity No.3 of the lesson and make every student read.<br>❑ Students will be encouraged to read other story books. | ❑ The classes from IV- VIII are included in this complementary material. From Class I to Class-III bridge material will be made available in the school<br>❑ To manage the lessons as per the complementary materials provided, the teacher will prepare a weekly plan on the model of the daily time-table .<br>❑ In addition to that the teachear will adopt strategies from ownself for lesson integration and activities to be done. |
| 2. | Who has seen the wind? (Lesson-3) | All Things Bright and Beautiful. (Lesson-1) | ❑ Recites poems with appropriate expressions and intonation.<br>❑ Will be able to describe about nature in English language. | ❑ They will be told to write few sentences on their surrounding.<br>❑ Encourage the students to use the dictionary to find out spellings and meaning of the word. | |
| 3. | A visit to Sivasagar (Lesson-8) | The Joy of Living. (Lesson-6 ) | ❑ Describes briefly orally/in writing about events, places or personal experiences in English. | ❑ The teacher will give them dictation for various purposes.<br>❑ Students will be encouraged to read notice board, newspaper headlines, posters etc. | |

- The teaching should be made interesting with the use of various audio, video, interactive content, and practice resource available on DIKSHA portal.

# শ্ৰেণী : পঞ্চম ■ বিষয় : আমি আৰু আমাৰ পৰিৱেশ

| ক্ৰঃ নং | চতুৰ্থ শ্ৰেণীৰ পাঠ | পঞ্চম শ্ৰেণীৰ পাঠৰ সৈতে সমন্বিত কৰিবপৰা পাঠ | সমন্বিত /একক পাঠৰ শিকন ফলাফল | পৰামৰ্শমূলক ক্ৰিয়াকলাপ | মন্তব্য |
|---|---|---|---|---|---|
| ১ | পৰিয়াল (পাঠ নং ১) | ———— | ❑ একক পৰিয়াল আৰু যৌথ পৰিয়াল সম্পৰ্কে জনাৰ উপৰি পৰিয়ালৰ সদস্যসকলৰ পাৰস্পৰিক সম্পৰ্ক, দায়বদ্ধতা, কৰ্তব্য আৰু নিৰ্ভৰশীলতাৰ বিষয়ে জানিব । | ❑ শিক্ষকে বৰ্ডত পৰিয়াল বৃক্ষৰ চিত্ৰ অংকন কৰি ছাত্ৰ-ছাত্ৰীক পৰিয়াল সম্পৰ্কে ধাৰণা দিব আৰু পৰিয়ালৰ সদস্যসকলৰ পাৰস্পৰিক সম্পৰ্কৰ বিষয়ে বুজাই ক'ব ।<br>❑ শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক পৰিয়ালৰ প্ৰতিজন সদস্যই কৰা কামৰ তালিকা প্ৰস্তুত কৰি আনিব দিব । | ❑ এই পৰিপুৰিকা খনত চতুৰ্থৰপৰা অষ্টম শ্ৰেণীক সাঙুৰি লোৱা হৈছে। প্ৰথমৰপৰা তৃতীয় শ্ৰেণীৰ ঘাটি পুৰণৰ বাবে বিদ্যালয়ত সংযোগী সম্ভাৰ উপলব্ধ হ'ব। |
| ২ | উৎসৱ (পাঠ নং ২) | ———— | ❑ অসমৰ উপৰি ভাৰতৰ আন আন প্ৰদেশৰ কিছুমান উল্লেখযোগ্য উৎসৱৰ বিষয়ে জানিব ।<br>❑ বিভিন্ন ঠাইত উৎসৱসমূহ কেনেদৰে পালন কৰে তাক জানিব । | ❑ অসমৰ লগতে আন আন প্ৰদেশৰ জাতীয় উৎসৱৰ লগত সংগতি ৰাখি চমু বক্তৃতা, আকস্মিক বক্তৃতা, জাতীয় পোছাক পৰিধান আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰিব ।<br>❑ বিভিন্ন প্ৰদেশৰ উৎসৱৰ ভিডিঅ'ৰ লগতে লোকগীত, লোক নৃত্যৰ ভিডিঅ' প্ৰদৰ্শনৰ ব্যৱস্থা কৰিব । | |
| ৩ | ৰাষ্ট্ৰীয় দিৱস (পাঠ নং ৪) | ———— | ❑ ৰাষ্ট্ৰীয় দিৱসসমূহ, যেনে- গণতন্ত্ৰ দিৱস, স্বাধীনতা দিৱস, শিশু দিৱস, শিক্ষক দিৱস আৰু গান্ধী জয়ন্তীৰ বিষয়ে জানিব ।<br>❑ ৰাষ্ট্ৰীয় পতাকাৰ গুৰুত্ব তথা তাৎপৰ্যৰ বিষয়ে জানিব । | ❑ শিক্ষকে ছাত্ৰ-ছাত্ৰীক ৰাষ্ট্ৰীয় দিৱসসমূহ উদ্‌যাপন কৰিবলৈ উৎসাহিত কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মাজত ছবি অঁকা, বক্তৃতা, নৃত্য-গীত আদিৰ অনুষ্ঠান কৰিব। | ❑ এই পৰিপুৰিকা অনুসৰি পাঠসমূহ পৰিচালনা কৰিবলৈ শিক্ষকে দৈনিক সময় তালিকাৰ আধাৰত এখন সাপ্তাহিক পৰিকল্পনা যুগুতাই ল'ব। |
| ৪ | বায়ু (পাঠ নং ৫) | ———— | ❑ বায়ুত থকা প্ৰধান গেছবোৰৰ নাম জানিব ।<br>❑ বায়ু প্ৰদূষণৰ কাৰকসমূহ আৰু সেইবোৰ ৰোধ কৰাৰ উপায়সমূহ বুজি পাব । | ❑ শিক্ষকে পাঠটিত থকা (মমবাতি আৰু গিলাচ) ক্ৰিয়াকলাপটিৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীক আমাৰ চৌপাশে থকা বায়ুৰ লগত মিহলি হৈ থকা বিভিন্ন গেছৰ বিষয়ে ধাৰণা দিব ।<br>❑ বায়ু প্ৰদুষণ আৰু ইয়াৰ প্ৰতিৰোধ সম্পৰ্কীয় এখন সজাগতা সভা শিক্ষকে বিদ্যালয়ত অনুষ্ঠিত কৰিব। | |
| ৫ | উদ্ভিদ আৰু পৰিৱেশ<br>(পাঠ নং ৬) | ———— | ❑ উদ্ভিদ আৰু প্ৰাণীৰ পৰস্পৰ নিৰ্ভৰশীলতা সম্পৰ্কে বুজি পাব ।<br>❑ পৰিৱেশৰ ভাৰসাম্যতা ৰক্ষাৰ ক্ষেত্ৰত উদ্ভিদৰ গুৰুত্বৰ বিষয়ে জানিব । | ❑ উদ্ভিদৰ প্ৰয়োজনীয়তাৰ লগত সংগতি ৰাখি কিছুমান বিষয় নিৰ্বাচন কৰি ছাত্ৰ-ছাত্ৰীৰ মাজত আকস্মিক বক্তৃতা বা চমু বক্তৃতাৰ আয়োজন কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীক শ্ল'গান, পষ্টাৰ লিখিব দিব। | |
| ৬ | কম্পিউটাৰ আৰু যোগাযোগ (পাঠ নং ১৬) | ———— | ❑ যোগাযোগৰ বিভিন্ন ব্যৱস্থাৰ বিষয়ে জানিব ।<br>❑ কম্পিউটাৰৰ বিভিন্ন অংশ আৰু এইবোৰৰ বিষয়ে জানিব । | ❑ শিক্ষকে বৰ্ডত কম্পিউটাৰৰ ছবি এখন দেখুৱাই ইয়াৰ বিভিন্ন অংশসমূহ চিনাকি কৰাই দিয়াৰ লগতে সেইবোৰৰ কাম সম্পৰ্কে বুজাই দিব ।<br>❑ কম্পিউটাৰৰ সহায়ত কৰিবপৰা কামৰ তালিকা এখন প্ৰস্তুত কৰিব দিব । | ❑ ইয়াত উল্লেখ কৰাৰ উপৰি শিক্ষকে পাঠ সমন্বিতকৰণ আৰু ক্ৰিয়াকলাপৰ ক্ষেত্ৰত নিজাববীয়াকৈ কৌশল অৱলম্বন কৰিব । |

● পঞ্চম শ্ৰেণীৰ এই বিষয়ক পাঠ আৰু শিকন ফলাফলসমূহ চতুৰ্থ শ্ৰেণীৰ লগত সমন্বিত কৰাৰ সুযোগ উপলব্ধ নহয় যদিও বিষয় শিক্ষকে নিজা প্ৰচেষ্টা গ্ৰহণ কৰিব পাৰে।

# শ্ৰেণী : ষষ্ঠ ■ বিষয় : অসমীয়া(ভাষা-১)

| ক্ৰঃ নং | পঞ্চম শ্ৰেণীৰ পাঠ | ষষ্ঠ শ্ৰেণীৰ পাঠৰ সৈতে সমন্বিত কৰিবপৰা পাঠ | সমন্বিত /একক পাঠৰ শিকন ফলাফল | পৰামৰ্শমূলক ক্ৰিয়াকলাপ | মন্তব্য |
|---|---|---|---|---|---|
| ১ | অসম আমাৰ ৰূপহী (পাঠ নং ১) | সবাতোকৈ আপোন (পাঠ নং ১) | ❑ কবিতা/গীতৰ মূলভাৱ বুজি লিখিব পাৰিব।<br>❑ স্বদেশপ্ৰীতি, প্ৰকৃতিপ্ৰীতিৰ মনোভাব গঢ়ি উঠিব । | ❑ পাঠ্যপুথিত সন্নিবিষ্ট স্বদেশ প্ৰেমমূলক কবিতাসমূহ শুদ্ধ ৰূপত জানিবৰ বাবে অভিজ্ঞ ব্যক্তিৰ দ্বাৰা বা কৰ্মশালাৰ জৰিয়তে শিকোৱাৰ ব্যৱস্থা কৰিব।<br>❑ নতুনকৈ পোৱা শব্দৰ অৰ্থ বুজিবলৈ অভিধান ব্যৱহাৰৰ কৌশল শিকাব । | ❑ এই পৰিপুৰিকা খনত চতুৰ্থৰপৰা অষ্টম শ্ৰেণীক সাঙুৰি লোৱা হৈছে। প্ৰথমৰপৰা তৃতীয় শ্ৰেণীৰ ঘাটি পুৰণৰ বাবে বিদ্যালয়ত সংযোগী সম্ভাৰ উপলব্ধ হ'ব।<br>❑ এই পৰিপুৰিকা অনুসৰি পাঠসমূহ পৰিচালনা কৰিবলৈ শিক্ষকে দৈনিক সময় তালিকাৰ আধাৰত এখন সাপ্তাহিক পৰিকল্পনা যুগুতাই ল'ব।<br>❑ ইয়াত উল্লেখ কৰাৰ উপৰি শিক্ষকে পাঠ সমন্বিতকৰণ আৰু ক্ৰিয়াকলাপৰ ক্ষেত্ৰত নিজাববীয়াকৈ কৌশল অৱলম্বন কৰিব । |
| ২ | পখী আৰু মানুহ (পাঠ নং ২) | বুধিয়ক বীৰবল (পাঠ নং ২) | ❑ সাধু/ কাহিনী আদি পঢ়ি নিজৰ কথাৰে ক'ব পাৰিব।<br>❑ সাধুৰ জৰিয়তে পৰিৱেশৰ প্ৰতি সজাগতাৰ ভাব জন্মিব। | ❑ কোনো কাহিনী, গল্প আদি পঢ়ি কাহিনীটোৰ বিষয়ে জানিবলৈ, ঘটনাৰ ক্ৰম ৰক্ষা কৰিবলৈ, যুক্তি দিবলৈ আৰু ঘটনা সম্পৰ্কত মতামত দিবলৈ সুযোগ দিব ।<br>❑ শিক্ষকে ছাত্ৰ-ছাত্ৰীক পুথিভঁড়াললৈ নি শিশু গল্প-পুথি আদি নিৰ্বাচন কৰিব দিব। | |
| ৩ | অৰূপৰ আবেদন(পাঠ নং ৩) | ——— | ❑ চিঠি আৰু আবেদনৰ ধাৰণা স্পষ্ট হ'ব আৰু লিখিব পাৰিব।<br>❑ ক্ৰিয়াৰ কালৰ ধাৰণা পাব আৰু প্ৰয়োগ কৰিব পাৰিব। | ❑ বিভিন্ন নিমন্ত্ৰণী পত্ৰৰ আলমত শিক্ষকে চিঠি-পত্ৰ আৰু আবেদনৰ আভাস দিব।<br>❑ ব'ৰ্ডত ভিন্ন ক্ৰিয়াৰ কালৰ কেইটামান বাক্য লিখি ছাত্ৰ-ছাত্ৰীক 'কাল'ৰ আভাস দিব। | |
| ৪ | ওজাপালি (পাঠ নং ১৩) | মনোৰম মাজুলী(পাঠ নং ১২) | ❑ জাতীয় সাহিত্য, সাংস্কৃতিক ঐতিহ্য, পৰম্পৰা সম্পৰ্কীয় লিখনি পঢ়ি সেই বিষয়ে জানিবলৈ আগ্ৰহী হ'ব পাৰিব । | ❑ শিক্ষকে ম'বাইল/প্ৰজেক্টৰৰ সহায়ত সত্ৰীয়া সংস্কৃতি, ৰাস-মহোৎসৱ, দৰঙৰ ওজাপালি আদিৰ বিভিন্ন ভিডিঅ' প্ৰদৰ্শন কৰি ছাত্ৰ-ছাত্ৰীক অসমৰ থলুৱা সংস্কৃতিৰ চমু বিৱৰণ দিব । | |

- দীক্ষা পৰ্টেলত উপলব্ধ বিভিন্ন অডিঅ', ভিডিঅ', ভাব আদান-প্ৰদানমূলক সমল আৰু অনুশীলন সমলৰ জৰিয়তে পাঠদান মনোগ্ৰাহী কৰিব।

# শ্ৰেণী : ষষ্ঠ ■ বিষয় : গণিত

| ক্ৰঃ নং | পঞ্চম শ্ৰেণীৰ পাঠ | ষষ্ঠ শ্ৰেণীৰ পাঠৰ সৈতে সমন্বিত কৰিবপৰা পাঠ | সমন্বিত /একক পাঠৰ শিকন ফলাফল | পৰামৰ্শমূলক ক্ৰিয়াকলাপ | মন্তব্য |
|---|---|---|---|---|---|
| ১ | কোণ (পাঠ নং ২) | ——— | ❑ কোণ আৰু আকৃতিৰ ধাৰণা উদ্ভাৱন কৰি পৰিৱেশত পোৱা বস্তুৰপৰা কোণৰ উদাহৰণবোৰ চিনাক্ত কৰিব পাৰিব।<br>❑ কোণৰ জোখ অনুসৰি কোণবিলাকক শ্ৰেণী বিভাজন কৰি সেইবোৰ নক্সাৰে প্ৰকাশ কৰিব পাৰিব। | ❑ পৰিৱেশত উপলব্ধ বিভিন্ন কোণাকৃতিৰ অৱয়ৱবোৰ পৰ্যবেক্ষণ কৰি কোণৰ উদাহৰণবোৰ চিনাক্ত কৰিব পাৰিব।<br>❑ পাঠ্যপুথিৰ চুক বিলাকত কিমান ডিগ্ৰী কোণ থাকে সেইসমূহ ছাত্ৰ-ছাত্ৰীক কোণমান যন্ত্ৰৰ সহায়ত জুখি ক'বলৈ দিব। এই ক্ষেত্ৰত শিক্ষকে সহায় কৰিব । | ❑ এই পৰিপুৰিকা খনত চতুৰ্থৰপৰা অষ্টম শ্ৰেণীক সাঙুৰি লোৱা হৈছে। প্ৰথমৰপৰা তৃতীয় শ্ৰেণীৰ ঘাটি পুৰণৰ বাবে বিদ্যালয়ত সংযোগী সম্ভাৰ উপলব্ধ হ'ব।<br><br>❑ এই পৰিপুৰিকা অনুসৰি পাঠসমূহ পৰিচালনা কৰিবলৈ শিক্ষকে দৈনিক সময় তালিকাৰ আধাৰত এখন সাপ্তাহিক পৰিকল্পনা যুগুতাই ল'ব।<br><br>❑ ইয়াত উল্লেখ কৰাৰ উপৰি শিক্ষকে পাঠ সমন্বিতকৰণ আৰু ক্ৰিয়াকলাপৰ ক্ষেত্ৰত নিজাববীয়াকৈ কৌশল অৱলম্বন কৰিব । |
| ২ | গুণিতক আৰু উৎপাদক (পাঠ নং ৪) | সংখ্যাৰ বিভিন্ন প্ৰকাৰ(পাঠ নং ২) | ❑ পূৰণৰ নিয়ম এটা এৰি এটা গণনা কৰা, উৎপাদক বৃক্ষ আৰু উৎপাদক চকৰিৰ জৰিয়তে উৎপাদকৰ ধাৰণাৰ বিকাশ কৰিব পাৰিব।<br>❑ বিশেষ পৰিস্থিতিত গঃসাঃউঃ আৰু লঃসাঃগুঃ কেনেকৈ প্ৰয়োগ কৰিব লাগে জানিব পাৰিব। | ❑ ছাত্ৰ-ছাত্ৰীসকলক দলত ভাগ কৰি কেইটামান সংখ্যা যেনে- ১,২,৩,৪ আদিৰ গুণিতক আৰু উৎপাদক উলিয়াব দিব ।<br>❑ শিক্ষকে সংখ্যাকাৰ্ডৰ সহায় (১-৫০)লৈ ছাত্ৰ-ছাত্ৰীক গুণিতক বাছি উলিয়াব দিব ।<br>❑ উৎপাদক বৃক্ষৰ সহায়ত কিছুমান নিৰ্দিষ্ট সংখ্যাৰ উৎপাদক উলিয়াব দিব। | |
| ৩ | ত্ৰি-মাত্ৰিক আৰু দ্বি-মাত্ৰিক বস্তু (পাঠ নং ৫) | প্ৰাথমিক আকৃতিসমূহ(পাঠ নং ৬) | ❑ ত্ৰি-মাত্ৰিক আকৃতি এটা দ্বি-মাত্ৰিক আকৃতিত আঁকি প্ৰকাশ কৰিব পাৰিব।<br>❑ দ্বি-মাত্ৰিক/ ত্ৰি-মাত্ৰিক বস্তুবোৰৰ কাষ, শীৰ্ষবিন্দু, তল আদি বিলাক উদাহৰণ দি ব্যাখ্যা কৰিব পাৰিব। | ❑ কাৰ্ডব'ৰ্ডৰপৰা বৰ্গ, ত্ৰিভুজ, বৃত্ত আদি কাটি উলিয়াই ত্ৰি-মাত্ৰিক আৰু দ্বি-মাত্ৰিক আকৃতিৰ সাদৃশ্য আৰু পাৰ্থক্য বুজাব । | |
| ৪ | আয়তন আৰু ভৰৰ জোখ (পাঠ নং ১১) | ——— | ❑ আয়তন আৰু ভৰ জুখিবপৰা কিছুমান ডাঙৰ আৰু সৰু এককৰ মাজৰ সম্বন্ধ জানিব। | ❑ শিক্ষকে পানীৰ বটল, ৰঙীন পানীৰ পেকেট আদি সংগ্ৰহ কৰি তাৰ লেবেলত থকা ধাৰণ ক্ষমতাৰ এককৰ বিষয়ে ক'বলৈ দিব । | |
| ৫ | চানেকি চাও আহা(পাঠ নং১৩) | ——— | ❑ বিভিন্ন ধৰণৰ চানেকিৰ লগতে সংখ্যাৰ চানেকি সমূহ উলিয়াব পাৰিব। | ❑ শিক্ষকে বিভিন্ন চানেকি সম্বলিত চাৰ্টৰ সহায়ত সংখ্যা চানেকিসমূহ বাছনি কৰিব দিব । | |
| ৬ | জোখ-মাখৰ প্ৰয়োগ (পাঠ নং ১৪) | ——— | ❑ ছাত্ৰ-ছাত্ৰীয়ে দৈনন্দিন জীৱনৰ লগত জড়িত দৈৰ্ঘ্য, ওজন, আয়তন আৰু সময় সম্বন্ধীয় সমস্যাসমূহ পাটিগণিতৰ মৌলিক চাৰি প্ৰক্ৰিয়াৰে সমাধান কৰিবলৈ শিকিব। | ❑ শিক্ষকে সময়, দৈৰ্ঘ্য, ওজন, আয়তনৰ একককে ভিন ভিন বস্তুৰ উদাহৰণ দি ছাত্ৰ-ছাত্ৰীক সেইসমূহৰ মুঠ জোখ-মাখ উলিয়াই নিৰ্দিষ্ট এককত প্ৰকাশ কৰিব দিব । | |

● দীক্ষা পৰ্টেলত উপলব্ধ বিভিন্ন অডিঅ', ভিডিঅ', ভাব আদান-প্ৰদানমূলক সমল আৰু অনুশীলন সমলৰ জৰিয়তে পাঠদান মনোগ্ৰাহী কৰিব।